**REPORT ON THE TALK PROGRAMME**

**ON**


**‘AIM IN LIFE AND PERCEPTION OF PERSONALITY’**

Venue: Auditorium, MDKG College

Time: 12:30 Pm

Date: 03-01-2022 (Monday)

Key Note Speaker: Sjt. Diganta Diswa Sarma




The IQAC of MDKG College organized a talk programme on ‘Aim in Life and Perception of Personality’ on 3rd January, 2021, Monday at the college premise. The session was inaugurated by Dr. Nibedita Phukan, Principal of MDKG College. In her welcome note, she addressed about the purpose of aim in life. She reflected about numerous activities of life for perfection and deliberation of life skills among the individuals and also in the society. The resource person for the talk programme, Sjt. Diganta Biswa Sarma was honoured and felicitated. Sjt. Sarma, Sahitya Academy Translation Awardee, intellectual, and a profound devotee of Sri. Aurobindo, in his very beginning of his speech mentioned that ‘Man is there to affirm himself in this present Universe, as possessing its first business, as well as to evolve’. He also emphasized on seeking knowledge, realizing the knowledge and becoming

the knowledge itself, which means being able to exceed ourselves, and it can be achieved when we have ‘Shraddha’ within us. In his speech he also emphasized on human aspirations. There is genius within every one of us, and that everyone should find out. Moreover, he laid stress on having an authentic aim in life, develop power of concentration, and develop will and aspiration as well as the impact and the power of ‘Shraddha’ and ‘Bhakti’ within us. Further in his speech, he pointed that quality of life depends on the quality of aim, where aim must be high, wide and generous. Without self-perfection, aim in life is aimless, and highlighted towards becoming a creator. Speaking on life, he said, “Life is joyous, when inner and outer aim are in harmony”. As a part of the initiative, he laid emphasis on six principles for better life, i.e. Courage, Generosity, Sense of gratitude, Sincerity, Perseverance, and Progress in all aspects of life.

His speech also constituted how the inner growth develops. It can be developed, when one questions oneself with intensity, sincerity and honesty about: ‘Why am I here on this Earth? What is the purpose of life? and What exactly do I want to achieve in this particular life?. All these hence, can be portrait as a ‘Shaddhana’ which entails inner journey of life. Focusing on carreer prospects, Sjt. Sarma highlighted to choose a carreer which is aligned with one’s nature. Individual should have a holistic aim in life, should have self-observation which can help in inner growth. Moreover, being able to take a larger role in family, society and country should be the utmost role. Talking about students of today’s era, he profusely said that students should be self-reliant.

The programme was anchored by Dr. Anita Sarma, and the presence of all the Teachers and Students of MDKG College have made the programme a successful one.



আজিৰ বতৰ বাৰ্তা

বিজ্ঞান কেন্দ্ৰৰ পূৰ্বানুমান অনুসৰি আজি বতৰ ফৰকাল হৈ থাকিব। আজিৰ সৰ্বোচ্চ তাপমাত্ৰা ২৫°, সৰ্বনিম্ন তাপমাত্ৰা ১০° চেলচিয়াছ। সূৰ্যোদয়ৰ সময় ৬.১২ বজা। সূৰ্যাস্তৰ সময় ৪.৪৫ বজা।

নিয়মীয়া বা

মঙলবাৰ, ৪ জানুৱাৰী ২০২২ □ TUESDAY, 4 JANUARY 2022

কানৈ মহিলা মহাবিদ্যালয়ত আলোচনা-চক্ৰত বিশিষ্ট সাহিত্যিক দিগন্ত বিশ্ব শৰ্মা

## প্ৰতিগৰাকী ব্যক্তিৰ মাজত অসাধাৰণ ব্যক্তিত্ব উদ্যম নিহিত হৈ থাকে

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ৩ জানুৱাৰী ঃ প্ৰতিগৰাকী ব্যক্তিৰ মাজত অন্তৰ্নিহিত হৈ থাকে অসাধাৰণ ব্যক্তিত্ব, ক্ষমতা আৰু উদ্যম। এই সমস্ত গুণৰাজিক নিজৰ ভিতৰৰ পৰা উলিয়াই বহিঃপ্ৰকাশ ঘটোৱাৰ বাবে চেষ্টা কৰা উচিত বুলি ৰামকৃষ্ণ পৰমহংস, স্বামী বিবেকানন্দ আৰু শ্ৰীঅৰবিন্দৰ অনুগামী তথা সুবক্তা দিগন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ত কয়।
ডিব্ৰুগড়ৰ মনোহাৰী দেবী ১০ পৃষ্ঠাত

*তৃতীয় পৃষ্ঠাৰ পৰা*

# প্ৰতিগৰাকী ব্যক্তিৰ মাজত অসাধাৰণ ব্যক্তিত্ব উদ্যম

কাৰৈ মহিলা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আজি মহাবিদ্যালয়খনৰ আই কিউ এ চি গোটৰ উদ্যোগত জীৱনৰ লক্ষ্য আৰু ব্যক্তিত্বৰ পৰিপূৰ্ণতা শীৰ্ষক এক মনোজ্ঞ বক্তৃতা অনুষ্ঠানত শতাধিক ছাত্ৰী আৰু মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু অধ্যাপক-অধ্যাপিকাৰ উপস্থিতিত অনুষ্ঠিত হয়।মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজন কৰা অনুষ্ঠানত বিশিষ্ট বক্তা দিগন্ত বিশ্ব শৰ্মাৰ জীৱনৰ সংক্ষেপ আলোকপাত কৰে মহাবিদ্যালয়ৰ অধ্যাপিকা ড° অনিতা শৰ্মাই। মহাবিদ্যালয়ৰ অধ্যক্ষা ড° নিবেদিতা ফুকনে উদ্বোধনী ভাষণ প্ৰদান কৰা আৰু ড° অনিতা শৰ্মাই আঁত ধৰা অনুষ্ঠানত বিশিষ্ট বক্তা দিগন্ত বিশ্ব শৰ্মাই উপস্থিত সকলোকে বিনয়ীভাৱে অভিবাদন জনাই কয়— মই কোনো পণ্ডিত প্ৰবৰ নহয়, তেনেহ'লে কিয় মই এনে ধৃষ্টতা কৰিছোঁ বা মই বক্তাও নহয়। অসতোমা সৎ গময়, তমসো মা জ্যোতিৰ্গময়, মৃত্যুৰ মা অমৃতং গময়। আমি অমৃতৰ সন্তান হ'ব বিচাৰোঁ। পাশ্চাত্যৰ সভ্যতাত সৰ্বোচ্চ মানৱ জীৱনৰ লক্ষ্য হ'ল এজন শ্ৰেষ্ঠ মানৱ হোৱা। অৰ্থাৎ ন'ৰৰ পৰা নৰোত্তম হ'ব বিচাৰোঁ বুলি বক্তা দিগন্ত বিশ্ব শৰ্মাই উল্লেখ কৰি পুনৰাই কয় যে ভাৰতীয় সংস্কৃতি আৰু সভ্যতাই শ্ৰেষ্ঠ মানৱ হোৱাতো নকয়। আমাৰ সভ্যতাই নৰোত্তমৰ কথাহে ব্যক্ত কৰি নাৰায়ণৰ কথাকে কয় বুলি দৰ্শক-শ্ৰোতাৰ আগত সদৰী কৰে। শৰ্মাই শিক্ষা আৰু আধ্যাত্মিকতাৰ সংযোগৰ মাজেৰে প্ৰকৃত জ্ঞান লাভ কৰাৰ ইংগিত প্ৰদান কৰি সভাত উপস্থিত থকা বিশেষকৈ ছাত্ৰী আৰু শিক্ষাগুৰুসকলক কয় যে শিক্ষাৰ প্ৰধানতঃ তিনি উপাদান আছে। প্ৰথমেই জ্ঞানৰ সন্ধান কৰা, দ্বিতীয়তে জ্ঞানৰ উপলব্ধি কৰা আৰু তৃতীয়তে অন্বেষণ বা আসক্তি। কথা উপনিষদৰে ভাষণ আৰম্ভ কৰি তেওঁ কয়— তাহানি ভাৰতীয় সভ্যতা-সংস্কৃতিত যজ্ঞ কৰাৰ নিয়ম আছিল। যজ্ঞৰ পাছতে দান দিব লাগে। নছিকেতাৰ পিতৃয়েও যজ্ঞৰ পাছত নিজৰ বাবে অপ্ৰয়োজনীয় সামগ্ৰীবোৰ দান দিছিল। তেতিয়াই ১০ বছৰীয়া নচিকেতাই পিতৃক সুধিছিল যে তাক কাৰ ওচৰত দান দিছে।যেতিয়া যমৰ ওচৰত দান দিয়া বুলি কোৱাত, নছিকেতা গৈ যমৰ দুৱাৰ পালেগৈ। তাতে তিনি দিন, তিনি ৰাতি নচিকেতাই অনাহাৰে, অনিদ্ৰাৰে কটালে। যম নিজ গৃহলৈ ঘূৰি অহাত নচিকেতাক দেখি স্তম্ভিত হৈ ক্ষমা ভিক্ষা বিচাৰে আৰু নচিকেতাৰ এনে কাৰ্যত মোহিত হৈ যমে তিনি বৰ দিবৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হ'ল। এনেদৰেই যমৰ সৈতে বহু প্ৰশ্নৰ অৱতাৰণা হ'ল নচিকেতাৰ।যমে দিয়া তিনি বৰৰ ভিতৰত নচিকেতাই বিচৰা আত্মাৰ জ্ঞান দিবলৈ কুণ্ঠাবোধ কৰিছিল যদিও শেষত দিবলৈ বাধ্য হৈছিল যমে। শৰ্মাই কয় যে আমাৰ জীৱনৰ অভিযাত্ৰা মৃত্যু নহয়, আমাৰ লক্ষ্য মৃত্যু নহয়। সম্ভৱ নহ'লেও অমৰত্ব আমাৰ লক্ষ্য হোৱা উচিত। জীৱন, যৌৱন, মৃত্যুৱেই জীৱনৰ শেষ লক্ষ্য হোৱা অনুচিত বুলি ব্যক্ত কৰি দিগন্ত বিশ্ব শৰ্মাই কয়— নচিকেতা, আমাৰ সকলোৰে মাজত আছে। নচিকেতাৰ দৰে দৰ্শন আমাৰ সকলোৰে মাজত আছে। মাথোঁ তাক বিচাৰি ল'বলৈ জানিব লাগিব। নচিকেতাৰ দৰে উচ্চ আকাংক্ষা থকাতো জীৱনত খুবেই প্ৰয়োজনীয়।এই বিশ্বত ৭০০ কোটিৰ অধিক নচিকেতা থকাৰ কথা উল্লেখ কৰি নচিকেতাৰ দৰে জীৱন দৰ্শন, আৰ্দশ আৰু স্থিতপ্ৰজ্ঞ হোৱাতো বাঞ্ছনীয় বুলি মত পোষণ কৰে শৰ্মাই। মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত বক্তৃতা অনুষ্ঠানত মনোহাৰী মহিলা মহাবিদ্যালয়ৰ উপাধ্যক্ষা ড° অঞ্জু বৰা, ড° লোহিত শইকীয়া, ড° মানসী শৰ্মা, পূৰ্ণিমা চুতীয়া, ড° মৌচুমী বাগচী, ড° ৰেজিয়া বেগম লস্কৰ, ড° শেখৰ পুৰকায়স্থ, অশ্বিনী মাচে, ড° শেখৰ চক্ৰৱৰ্তী, দীপাংকৰ শৰ্মা, উৎপল গগৈ প্ৰমুখ্যে গৰিষ্ঠ সংখ্যক অধ্যাপক, কৰ্মচাৰী আৰু শতাধিক ছাত্ৰীয়ে অংশগ্ৰহণ কৰা বক্তৃতা অনুষ্ঠানটোত দিগন্ত বিশ্ব শৰ্মাই বৃহদাৰণ্য উপনিষদৰ উদ্ধৃতি দি জনক আৰু যাজ্ঞবল্কৰ মাজত হোৱা কথোপকথন ব্যক্ত কৰি উপস্থিতসকলক এক দৰ্শন দিয়াৰ প্ৰয়াস কৰি আধুনিক শিক্ষা ব্যৱস্থাৰ ওপৰতো আলোকপাত কৰে। শিক্ষা ব্যৱস্থাত থকা তিনি প্ৰকাৰৰ আহিলাৰ সম্পৰ্কত কয় যে সেয়া বিষয় বুৎপত্তি, বস্তু পৰিচয় আৰু বৃত্তিৰ উৎকৰ্য বুলি মন্তব্য কৰি এইবিলাকো শিক্ষাৰ অংগ হ'লেও সমগ্ৰ নহয় বুলি মতপোষণ কৰে। তেওঁ পুনৰ কয় যে বৰ্তমানৰ শিক্ষা ব্যৱস্থাৰ লগত আমাৰ আত্মাৰ কোনো সম্পৰ্ক নাই। আজিৰ শিক্ষা ব্যৱস্থাই শিক্ষাৰ্থীসকলক কেৱল প্ৰতিযোগিতাৰ পাছত দৌৰিব শিকাইছে। একোজন শিক্ষাৰ্থীৰ মূল্যাংকনে, তেওঁৰ জ্ঞান বা শিক্ষাৰ মাপকাঠি নিৰ্ধাৰণ নকৰে বুলি সদৰী কৰি আত্মাৰ সৈতে যদি শিক্ষাক জড়িত কৰিব নোৱাৰি, তেনেহ'লে সেয়া সৰ্বোচ নহয় বুলিও উল্লেখ কৰে বক্তা শৰ্মাই। তেওঁ পুনৰাই কয় যে আজিৰ শিক্ষা ব্যৱস্থা বিদ্যাৰ্থীকেন্দ্ৰিক শিক্ষা ব্যৱস্থা নহয়। আমাৰ শিক্ষা ব্যৱস্থা বিষয়কেন্দ্ৰিক। ভাল নম্বৰো লাভ কৰে, ভাল চাকৰি-দৰমহা পায়। অৱশেষত কেতিয়াবা আত্মহত্যাও কৰিব লগা হয়। শিক্ষা, ধন, যশ, ঐশ্বৰ্য, বিভূতিয়ে মনৰ প্ৰশস্তি আনিব নোৱাৰে। যিমানেই আমাৰ শিক্ষা, ঐশ্বৰ্য নাথাকক এই মানুহবোৰ কিহক লৈ বা কি প্ৰাপ্তিৰে চৰম সুখ লাভ কৰিব পাৰে, সেয়া কোনেও নিৰ্ধাৰণ কৰিব পৰা নাই। কাৰণ এটাই, কাৰণ তেওঁৰ আত্মাৰ স'তে বিদ্যাৰ কোনো সম্পৰ্ক নাই বুলি উল্লেখ কৰি কয়— আজিৰ শিক্ষা ব্যৱস্থাই সকলোকে চাকৰিমুখী কৰি তুলিছে বুলি সদৰী কৰি মহাযোগী অৰবিন্দৰ উদ্ধৃতি দি কয়— যদি কোনো এজন লোকৰ প্ৰকৃত জ্ঞান থাকে, তেন্তে তেওঁৰ বাবে এটা কৰ্ম নিশ্চিত। আধুনিক মানুহে বিজ্ঞানক প্ৰশ্ৰয় দিয়ে, বিজ্ঞান জনাৰ বাবে নহয়।আধুনিক মানুহে দৰ্শন, শাস্ত্ৰ, সংস্কৃতিক কিয় গুৰুত্ব নিদিয়ে? কিয়নো সংস্কৃতিয়ে মানুহৰ জীৱন স্বাচ্ছন্দ্য কৰি নোতোলে। সংস্কৃতিয়ে মানুহক মানসিকভাৱে বহু ধনী কৰি তোলে বুলি অভিমত প্ৰকাশ কৰি বৰ্তমানে সামাজিক ব্যৱস্থাত শিক্ষাৰ সৈতে আধ্যাত্মিকতা কিমান গুৰুত্বপূৰ্ণ সেয়া প্ৰকাৰান্তৰে সকলোকে বুজাই কয়। শেষত ছাত্ৰীৰ সৈতে বক্তা শৰ্মাই মত বিনিময় কৰে।

# State

## Oration programme on aim in life

OUR STAFF CORRESPONDENT

**DIBRUGARH, Jan 4:** An oration programme was organized by the IQAC of MDKG College on 'Aim in Life and Perception of Personality' at the college premises on Monday. Principal, Dr. Nibedita Phukan inaugurated the session. In her address, she spoke about the purpose of aim in life. She cited numerous activities of life for perfection and deliberation of life skills among the individuals and in the society.

Sahitya Akademi Translation Awardee, intellectual, and a profound devotee of Sri Sri Aurobindo, Diganta Biswa Sarmah in his speech as resource person, said, "Man is there to affirm himself in this present universe." He also emphasized seeking knowledge, realizing the same and becoming the knowledge itself, which means being able to exceed ourselves. "This can be achieved when we have *shraddha* within us" he said.

Emphasizing human aspirations, Sarma said, "Genius is within each of us and we should find out and explore." Moreover, he laid stress on having a genuine aim in life, developing the power of concentration, and developing will and aspiration as well as the impact and the power of *shraddha* and *bhakti* within us. Further, in his speech he pointed out that quality of life depends on the quality of aim.

Speaking on life, he said, "Life is joyous, when inner and outer aims are in harmony." As a part of the initiative, he laid emphasis on six principles for a better life, i.e. courage, generosity, sense of gratitude, sincerity, perseverance, and progress in all aspects of life.